## ২.৪৩ নাটখনিৰ চৰিত্ৰসৃষ্টি

নাটকীয় কাহিনীৰ গতিশীলতাত সহায় কৰে চৰিত্ৰই। চৰিত্ৰ নাটক এখনৰ বাবে অপৰিহাৰ্য উপাদান। চৰিত্ৰ অবিহনে নাটকীয় ঘটনাই বিকাশ লাভ কৰিব নোৱাৰে। নাটক এখনৰ বাবে কাহিনী আৰু চৰিত্ৰ এটা মুদ্ৰাৰ দুয়োটা পিঠিৰ দৰে। চৰিত্ৰৰ বৈচিত্ৰ্যই নাটকীয় কাহিনীক অধিক উজ্জ্বল আৰু মনোগ্ৰাহী কৰি তুলিব পাৰে।

ৰুক্মিণী হৰণ নাটৰ এটি বিশেষ মন কৰিবলগীয়া বৈশিষ্ট্য হ'ল ইয়াৰ চৰিত্ৰ সৃষ্টি। আধুনিক নাট্য সাহিত্যত চৰিত্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰিছে যদিও মধ্যযুগৰ সাহিত্যত চৰিত্ৰৰ গুৰুত্ব আছিল কম। সাহিত্যৰ ৰস আদিৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছিল। তেনে সময়তো শংকৰদেৱে কেৱল কাহিনী আৰু তাৰ অন্তৰালত থকা ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰ বাহিৰেও চৰিত্ৰসমূহক বিশেষভাৱে গুৰুত্ব দিয়াটো লক্ষণীয় বিষয়।

তেওঁৰ আন আন নাট কেইখনৰ ভিতৰত ৰুক্মিণী হৰণ নাটৰ চৰিত্ৰ সৃষ্টি বিশেষভাৱে উল্লেখযোগ্য। চৰিত্ৰসমূহৰ ভিতৰতো আকৌ নাৰী চৰিত্ৰক নাট্যকাৰে অধিক প্ৰাধান্য প্ৰদান কৰিছে। চৰিত্ৰসমূহে স্বকীয় মহিমাৰে সমুজ্জ্বল হৈ উঠিছে। নাটখনৰ আটাইকেইটা চৰিত্ৰৰ ভিতৰত ৰুক্মিণীৰ চৰিত্ৰটি বেছি আকৰ্ষণীয়। আন আন চৰিত্ৰসমূহেও নাটৰ কাহিনীৰ গতিশীলতাত প্ৰভূত পৰিমাণে সহায় কৰিছে। নাটৰ চৰিত্ৰসমূহ তলত আলোচনা কৰা হ'ল —

➢ *ৰুক্মিণীঃ* ৰুক্মিণী হৰণ নাটখনৰ নায়িকা ৰুক্মিণী। কুণ্ডিলৰাজ ভীষ্মকৰ পাঁচজন

পুত্ৰৰ পিছতে একমাত্ৰ জীয়াৰী ৰুক্মিণী। তেওঁ ভীষ্মকৰ নুমলীয়া সন্তান। সেইবাবে তেওঁ মাক-দেউতাকৰ আলাসৰ লাৰু, সোণৰ পুতলী। তেওঁৱেই নাটখনিৰ কেন্দ্ৰবিন্দু। তেওঁক কেন্দ্ৰ কৰিয়েই নাটকীয় কাহিনীয়ে গতি লাভ কৰিছে আৰু কৃষ্ণৰ সৈতে মিলনৰ মাজেৰে নাটৰ পৰিসমাপ্তি ঘটিছে।

হৰণ কাব্যৰ লক্ষণযুক্ত ৰুক্মিণী হৰণ নাটত নায়ক-নায়িকাৰ মনত পূৰ্বৰাগৰ সৃষ্টি হোৱাৰ ভিত্তিতে নাটৰ প্ৰথম খণ্ডৰ কাহিনী আৰম্ভ হৈছে। হৰিদাস ভাটৰ মুখত কৃষ্ণৰ গুণ-গৰিমাৰ কথা শুনি তেওঁতেই সমস্ত মন-প্ৰাণ সপি দিয়া ৰুক্মিণী এগৰাকী আদৰ্শ প্ৰেমিকাই নহয়, কৃষ্ণৰ তেওঁ একান্ত ভক্তা। কৃষ্ণক স্বামী ৰূপে পোৱাৰ আনন্দত তেওঁ সখীয়েকহঁতৰ আগত নিজকে সৌভাগ্যৱতী বুলি স্বীকাৰ কৰিছে— "আঃ ঈশ্বৰ কৃষ্ণক স্বামী পাৱল। সখি হামাক সম সৌভাগিনী কোন থিক।"

তদুপৰি অতুলনীয় সৌন্দৰ্যৰ অধিকাৰিণী ৰুক্মিণীৰ ৰূপ-সৌন্দৰ্য নাট্যকাৰৰ হাতত মূলতকৈ অধিক ভাবে প্ৰকাশ পাইছে। কৃষ্ণৰ আগত সুৰভি ভাটে ৰুক্মিণীৰ ৰূপ এনেদৰে বৰ্ণনা কৰিছে—

ভীষ্মক ৰাজ নন্দিনী বৰ বালা।
বাঢ়য় জিনি নব চান্দক কলা।।
কি কহব ৰমনীক ৰূপ পৰচুৰ।
বয়নক পেখি চান্দ ভেলি দূৰ।।
নয়নক পেখি পাই বৰ লাজ।
কয়ল ঝাম্প কমল জল মাজ।।

ৰুক্মিণী অকল যে ৰূপ সৌন্দৰ্যৰে অধিকাৰিণী এনে নহয়, তেওঁ এগৰাকী অসাধাৰণ ধৈৰ্যশীলা, প্ৰত্যুৎপন্নমতিসম্পন্না নাৰী আৰু সফল প্ৰেমিকা। কৃষ্ণৰ সৈতে বিবাহ দিবলৈ অমান্তি হোৱা ককায়েক ৰুক্মবীৰে যেতিয়া তেওঁৰ মিত্ৰ শিশুপাললৈহে ৰুক্মিণীক বিবাহ দিবলৈ ব্যৱস্থা কৰিছে তেতিয়া খন্তেকৰ বাবে তেওঁ আকুল হৈ পৰিছে। কিন্তু সাধাৰণ প্ৰেমিকাৰ দৰে ধৈৰ্যহীনা হৈ হিতাহিত জ্ঞান শূন্য হোৱা নাই। প্ৰত্যুৎপন্নমতিতাৰে তেওঁ তেনে বিপদৰ পৰা ৰক্ষা পাবলৈ নিজেই বুদ্ধি বিচাৰি লৈছে। পৰম বিশ্বাসী বেদনিধি বাপুক মতাই আনি তেওঁৰ হাতত কৃষ্ণলৈ বুলি পত্ৰ এখন প্ৰেৰণ কৰিছে। পত্ৰত কৃষ্ণক তেওঁক হৰণ কৰি নিয়াৰ উপায়ো বৰ্ণাইছে— "বিবাহক পূৰ্ব্ব দিবস ভবানীক মঠ চলব। সে সময়ে হামাক হৰিয়ে নিয়ে যাব।"

ৰুক্মিণী চৰিত্ৰৰ আন এটি উল্লেখনীয় দিশ হ'ল— স্ত্ৰী সুলভ কমনীয়তা আৰু স্নেহভাবৰ মধুৰতা। কৃষ্ণ প্ৰেমত উন্মনা ৰুক্মিণীয়ে আগ পিছ নাভাবি পিতৃ আৰু জ্যেষ্ঠ ভ্ৰাতৃ ৰুক্মবীৰৰ কথাৰ বিপৰীতে প্ৰেমিকৰ লগত গুছি গৈছে। কিন্তু ককায়েক ৰুক্মবীৰে যেতিয়া পথত কৃষ্ণক বাধা প্ৰদান কৰিছে, তেতিয়া কৃষ্ণই তেওঁক মাৰিবলৈ উদ্যত হৈছে। স্নেহশীলা ৰুক্মিণীয়ে তেতিয়া কৃষ্ণৰ ভৰিত ধৰি কান্দি কাকুতি-মিনতি কৰি

সহোদৰৰ প্ৰাণভিক্ষা কৰিছে— "হে স্বামী, তোহাৰি চৰণে লাগো; ভায়াক প্ৰাণ দান দেহ। তোহো পৰম ঈশ্বৰ, ওহি পাপী তোহাক মহিমা নাহি জানল, যৈচে পাতংগ অগনিতে জাস কয়ল। হামাক দেখিতে ওহি দোষ মৰষ স্বামী।"

ৰুক্মিণীৰ মনৰ উদাৰতাও নাট্যকাৰে সুন্দৰভাৱে দাঙি ধৰিছে। তপৰ মহিমাৰে চন্দ্ৰক আনি দিব পৰা বেদনিধিয়ে বিষম বিপদৰ মাজতো যেতিয়া কৃষ্ণক কুণ্ডিললৈ লৈ আহিছে ৰুক্মিণীয়ে তেতিয়া তেওঁক কৃতজ্ঞতা জনাবলৈ পাহৰা নাই— "হে পিতা, বাপে উপজল মাত্ৰ, তোহো প্ৰাণ দান দেলি। তোহাক গুণ শুজয়ে নাহি পাৰো।"

ৰুক্মিণী হৰণ নাটত নাট্যকাৰে আটাইবোৰ চৰিত্ৰৰ ভিতৰতে ৰুক্মিণীৰ চৰিত্ৰৰ মাজেৰে কৃষ্ণক পোৱা-নোপোৱাৰ মাজৰ দোদুল্যমান অৱস্থা, তেওঁৰ উপস্থিত বুদ্ধি, কৰ্মতৎপৰতা, সংলাপ আদিৰে অতি সুন্দৰকৈ চিত্ৰিত কৰিছে। নাটখনত ৰুক্মিণীক এফালে সাধাৰণ সুখ-দুখেৰে গভীৰ প্ৰেমিকা, আনফালে কৃষ্ণ ভক্তা ৰূপে অংকিত কৰিছে। ভগৱান আৰু ভক্তৰ মিলনত কৃষ্ণ-ৰুক্মিণীৰ প্ৰেমে শৃংগাৰ ৰসৰ মাজেৰে ভক্তিৰসত মিলিত হৈছে। কলা-কৌশলী শংকৰদেৱৰ হাতত ৰুক্মিণী চৰিত্ৰই এগৰাকী চতুৰা, ধৈৰ্যশীলা, প্ৰত্যুৎপন্নমতিসম্পন্না, বিনয়ী, স্নেহশীলা নাৰী হিচাপে চিত্ৰিত হৈছে। ৰুক্মিণীৰ চৰিত্ৰত সংস্কৃত নাটৰ মুগ্ধা নায়িকাৰ বৈশিষ্ট্য প্ৰকাশ পাইছে।

*মদনমঞ্জৰী আৰু লীলাৱতীঃ* ৰুক্মিণী হৰণ নাটখনত ৰুক্মিণীৰ সখী ৰূপে চিত্ৰিত কৰা মদনমঞ্জৰী আৰু লীলাৱতী চৰিত্ৰ দুটি শংকৰদেৱৰ স্বকীয় সৃষ্টি। মূল ভাগৱতত ৰুক্মিণীৰ সখীয়েকৰ কোনো নাম উল্লেখ নাই। মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকৰ শকুন্তলাৰ দুই সখী অনসূয়া আৰু প্ৰিয়ম্বদাৰ দৰে মদনমঞ্জৰী আৰু লীলাৱতীও সখীগত প্ৰাণা, সখীৰ সুখ-দুখৰ লগৰী বিশ্বস্ত বান্ধবী। ৰুক্মিণীৰ বিবাহৰ বাৰ্তা বহন কৰা, দ্বাৰকাৰ হৰিদাস ভাটক ৰুক্মিণীৰ আজ্ঞানুসৰি 'ৰজত ৰতন সুবৰ্ণ' আনি পুৰস্কাৰ দিয়া, কৃষ্ণ বিৰহত মুৰ্চ্ছিতা ৰুক্মিণীক বাহু মেলি ধৰা, শিৰত পানী ঢলা, আঁচলেৰে বিচি আশ্বাস দিয়া আদি কাৰ্যত সখীয়েকৰ প্ৰতি থকা দায়িত্ব নাট্যকাৰে সুন্দৰভাৱে দেখুৱাইছে। সখী লীলাৱতীৰ হতুৱাই বেদনিধি বাপুক গোপনে মতাই অনা, ৰাজসভাত ৰুক্মিণীৰ ৰূপত কামমোহিত ৰজাসকলৰ ব্যৱহাৰত ভৎৰ্সনা কৰি 'কাহেক ঠেংগনা দেই,' 'কাহেক গোৰ মাৰি ভৰচয়' আদি কাৰ্য তৎপৰতাৰে পালন কৰা আদিত সখীয়েকৰ প্ৰতি থকা চেনেহৰ কথাকে সূচনা কৰিছে। শংকৰদেৱৰ কলা-কৌশলী হাতৰ পৰশত মূলত নথকা স্বত্বেও নাট্যকাহিনীৰ বিকাশত চৰিত্ৰ দুটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

*শশীপ্ৰভাঃ* ৰুক্মিণীৰ মাতৃ, কুণ্ডিল ৰাজ ভীষ্মকৰ পত্নী শশীপ্ৰভাই নাটত অলপ সময়ৰ বাবে দেখা দিলেও এগৰাকী দায়িত্বশীলা মাতৃৰ ভূমিকা পালন কৰিছে। মূল ভাগৱতত নথকা এই চৰিত্ৰটিক মহাপুৰুষজনাই শশীপ্ৰভা নামেৰে নামকৰণ কৰিছে। বিবাহযোগ্য কন্যাৰ উপযুক্ত বৰ পাই তেওঁক উৎফুল্লিত হোৱা দেখা গৈছে—

"পৰম পুৰুষ শ্ৰীকৃষ্ণক কথা শুনিয়ে হামাৰো ওহি সন্মত, সে যদুনন্দনক আনিয়ে সত্বৰে কন্যা দান কৰহ।"

ভীষ্মকে পাৰিষদ, জ্ঞাতিসৱৰ আগত কৃষ্ণক ৰুক্মিণীৰ বৰ ৰূপে প্ৰস্তাৱ কৰা কাৰ্য শশীপ্ৰভায়ো আনন্দেৰে গ্ৰহণ কৰিছে। কিন্তু জ্যেষ্ঠ পুত্ৰ ৰুক্মবীৰে যেতিয়া শিশুপাললৈহে তেওঁৰ ভগ্নীক বিবাহ দিবলৈ মনস্থ কৰিলে তেতিয়া বৰপুত্ৰৰ কথাৰ ওপৰত তেওঁ মাত মাতিব পৰা নাই। নাটকত নাট্যকাৰে এগৰাকী সৰল মনৰ নাৰী হিচাপে শশীপ্ৰভাৰ চৰিত্ৰটি অংকন কৰিছে।

*দৈৱকীঃ* পৰম পুৰুষ, জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণৰ মাতৃ দৈৱকী। নাটত চৰিত্ৰটি কম সময়ৰ বাবে ভুমুকি মাৰিছে যদিও এগৰাকী স্নেহশীলা মাতৃ আৰু আদৰ্শ গৃহিণী হিচাপে দৈৱকী চৰিত্ৰটি চিত্ৰিত হৈছে। কৃষ্ণক পৰম পুৰুষ বুলি জানিও অকলশৰে কুণ্ডিললৈ গৈ দুষ্ট ৰজাসকলৰ লগত যুঁজ দিব লাগিব বুলি তেওঁৰ মাতৃ হৃদয় আকুল হৈ পৰিছে। সেয়ে কৃষ্ণক ৰক্ষা কৰিবৰ বাবে বলোভদ্ৰ, সাত্যকি, গদ আদি যদুবীৰক খাটনি ধৰিছে। আকৌ কৃষ্ণই ৰুক্মিণীক দ্বাৰকালৈ লৈ যোৱাৰ পাছত দৈৱকীয়ে আয়তী সহিতে দূবৰি, চাউল আদি ছটিয়াই পুত্ৰ-বোৱাৰীক ঘৰলৈ আদৰি আনিছে। দৈৱকী চৰিত্ৰটিৰ মাজেৰে অসমীয়া সমাজৰ ৰীতি-নীতি দৰা-কইনা আদৰা নিয়ম আদিৰো প্ৰকাশ ঘটিছে।

ৰুক্মিণী হৰণ নাটৰ নাৰী চৰিত্ৰ কেইটিক নাট্যকাৰে অতি সফলতাৰে প্ৰকাশ কৰিছে। যাৰ ভিতৰত ৰুক্মিণী চৰিত্ৰটি উত্তম আৰু নায়িকা ৰূপে প্ৰতিপন্ন হৈছে। নাৰী চৰিত্ৰৰ হিৰেও কৃষ্ণক মুখ্য চৰিত্ৰ হিচাপে লৈ আন আন পুৰুষ চৰিত্ৰসমূহেও নাটকীয় কাহিনীৰ গ্ৰগতিত অৰিহণা যোগাইছে। তলত পুৰুষ চৰিত্ৰসমূহৰ আলোচনা কৰা হ'ল —

*কৃষ্ণঃ* ৰুক্মিণী হৰণ নাটৰ নায়ক শ্ৰীকৃষ্ণ। তেওঁ এফালে যেনেকৈ জগতৰ ঈশ্বৰ, আনহাতে তেওঁ সুখ-দুখ, প্ৰেম-অনুভূতিৰে এজন সাধাৰণ যুৱক। কুণ্ডিলৰ পৰা অহা সুৰভি ভাটৰ মুখত কুণ্ডিল ৰাজকন্যা ৰুক্মিণীৰ ৰূপ গুণৰ কথা শুনি তেওঁৰ মনত পূৰ্বৰাগৰ উদয় হৈছে। সাধাৰণ প্ৰেমিকৰ দৰে তেওঁ— "হেঁঠমাথ কয় নিশ্বাস ফোকাৰল, ঘন ঘন ৰুক্মিণীক মাত্ৰ ধ্যান কয় ৰহল।"

ৰুক্মিণীৰ পত্ৰ লৈ কুণ্ডিলৰ পৰা যোৱা বেদনিধিক কৰা সেৱা-শুশ্ৰূষাত এজন অতিথি পৰায়ণ শিষ্টাচাৰী ৰজা হিচাপে কৃষ্ণক নাট্যকাৰে চিত্ৰিত কৰিছে। বেদনিধি ব্ৰাহ্মণক তেওঁ নিজ হাতে চৰণ ধুইছে, পঞ্চামৃত খুৱাই সোণৰ পালেঙত শুবলৈ দিছে। নিজ হাতেৰে ব্ৰাহ্মণৰ চৰণ স্পৰ্শ কৰি আগমনৰ বাৰ্তা সুধিছে আৰু ৰুক্মিণীৰ দ্বাৰা প্ৰেৰণ কৰা পত্ৰৰ সংবাদ শুনি তেওঁৰ কমললোচনৰ পৰা লোতক বাগৰি পৰিছে—"তদনন্তৰ ৰুক্মিণীক সকৰুণ পত্ৰ দেখিয়ে শ্ৰীকৃষ্ণক হৃদয়ে তাপ উপজল। কমল নয়নক নিৰ জুৰয়ে লাগল।"

সাধাৰণ মানৱৰ দৰে আচৰণ কৰিলেও মহাপুৰুষ শংকৰদেৱে কৃষ্ণৰ ঐশ্বৰিক

ৰূপটোৰ কথা খন্তেকৰ বাবেও পাহৰি যোৱা নাই। ৰুক্মিণীয়ে পত্ৰত লিখা "শ্ৰী পৰমেশ্বৰ সকল সুৰাসুৰ বন্দিত-পাদ-পদ্ম-প্ৰপন্নজনতাৰণ নাৰায়ণ-শ্ৰীশ্ৰীকৃষ্ণচৰণসৰোৰুহেষু" বুলি সম্ভাষণ কৰাৰ মাজেৰে তেওঁক জগতৰ ঈশ্বৰ স্বৰূপ মনা হৈছে। ভীষ্মকৰ ৰাজসভাৰ পৰা ৰুক্মিণীক হৰণ কৰি নিয়া, বিৰোধী ৰজাসকলক পৰাস্ত কৰা আদিত তেওঁৰ অসীম বীৰত্ব প্ৰকাশ পাইছে।

ৰুক্মবীৰক বধ কৰিবলৈ ওলোৱাত ৰুক্মিণীয়ে তেওঁৰ চৰণত পৰি ভাতৃক বধ নকৰিবলৈ কৰা অনুৰোধ তেওঁ ৰক্ষা কৰি ৰুক্মিণীৰ প্ৰতি গভীৰ প্ৰেমৰ পৰিচয় দিছে। ৰুক্মিণীৰ সৈতে মিলন পাশত আবদ্ধ হৈ তেওঁ ভক্তৰ মনোবাঞ্চা পূৰণ কৰিছে। মুঠতে ৰুক্মিণী হৰণ নাটত শ্ৰীকৃষ্ণৰ মহিমা পৰিপূৰ্ণ ৰূপত প্ৰকাশ পাইছে। নাট্যকাৰে কৃষ্ণক এক প্ৰেমিক, অতিথিপৰায়ণ, ভক্তবৎসল চৰিত্ৰ আৰু আনহাতে জগতৰ ঈশ্বৰ ৰূপে অংকন কৰিছে।

*বেদনিধিঃ* ৰুক্মিণী হৰণ নাটৰ এটি আকৰ্ষণীয় চৰিত্ৰ হ'ল বেদনিধি। সংস্কৃত ৰূপকৰ বিদূষকৰ সদৃশ হ'লেও নাটত তেওঁক লোভী, স্বাৰ্থপৰ হিচাপে দেখুওৱা নাই। কম পৰিসৰতে বেদনিধি চৰিত্ৰটিক নাট্যকাৰে সজীৱ ৰূপত অংকন কৰিছে। আনৰ মংগল সাধন কৰি তাৰ বিনিময়ত একোৱেই নিবিচৰা বেদনিধি এজন উদাৰ ব্ৰাহ্মণ। ৰুক্মিণীৰ সখীয়েক লীলাৱতীৰ মুখে তেওঁক ৰুক্মিণীয়ে মাতি পঠোৱা মাত্ৰেই তেওঁ ৰাজনন্দিনীক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। তপৰ বলত আকাশৰ চন্দ্ৰ নমাই আনিব পাৰে বুলি তেওঁ ৰুক্মিণীক সান্ত্বনা দিছে। ৰুক্মিণীৰ পৰা প্ৰেম পত্ৰ লৈ ছমাহৰ প৺ নিমিষতে অতিক্ৰম কৰি তেওঁ দ্বাৰকাত উপস্থিত হৈছে। কৃষ্ণক ৰুক্মিণীৰ প্ৰেম পত্ৰ প্ৰদান কৰাৰ লগতে ৰুক্মিণীৰ মানসিক অৱস্থাৰ কথাও বৰ্ণাইছে। কৃষ্ণৰ অনুৰোধ ক্ৰমে পত্ৰ পাঠ কৰি শুনাইছে। কৃষ্ণৰ লগত কুণ্ডিল অভিমুখে যাত্ৰা কৰা দ্ৰুতবেগী ৰথত উঠি বেদনিধি মুৰ্চ্ছা গৈ ভ্ৰম বকিছে— "বেদনিধি ৰথবেগে শ্ৰুতিভংগ হুয়া পৰল, হাত পাৱ সব থিৰ ভেল, পেট উফন্দল, নাসাত নিশ্বাস নাহি নিঃসৰে, জৈচে মৃতক তদ্‌ৱৎ অচেতন ভেল, তাহে পেখিএ শ্ৰীকৃষ্ণ হা হা বুলি শিৰে জল সিঞ্চিত্ৰ ফুংকি ফুংকি ধাতু আনল।" চৰিত্ৰটিৰ এনে আচৰণত হাস্যৰসৰ সৃষ্টি কৰি শংকৰদেৱে বেদনিধি বাপুক অধিক আকৰ্ষণীয় কৰি তুলিছে। নিজৰ কৰ্তব্যৰ কথা নাপাহৰি কুণ্ডিল নগৰী পোৱা মাত্ৰকেই ৰুক্মিণীক তেওঁ কৃষ্ণ অহাৰ সংবাদ দিছে, তাৰ পিছতহে নিজ গৃহাভিমুখে ৰাওনা হৈছে। মূলৰ কোনো এজন ব্ৰাহ্মণৰ বিপৰীতে নাটৰ বেদনিধি চৰিত্ৰ নাট্যকাৰৰ হাতত অধিক আকৰ্ষণীয় হৈ পৰিছে।

*সুৰভি ভাট আৰু হৰিদাস ভাটঃ* নাটৰ মূল সংযোগকাৰী সুৰভি ভাট আৰু হৰিদাস ভাট কাৰ্যকুশলী লোক। কুণ্ডিলৰ পৰা যোৱা সুৰভি ভাটে আৰু দ্বাৰকাৰ পৰা অহা হৰিদাস ভাটে ৰুক্মিণী আৰু কৃষ্ণ দুয়োৰে ৰূপ-গুণৰ কথা বৰ্ণনা কৰি দুয়োৰে মাজত পূৰ্বৰাগৰ সৃষ্টি কৰে। শংকৰদেৱে প্ৰেমিক প্ৰেমিকাৰ যোগ সূত্ৰ স্থাপনৰ বাবে 'ভাট'

শ্ৰেণীটোক নাটত স্থান দিছে। অলংকাৰপূৰ্ণ ভংগিমাৰ যোগেৰে দুয়োগৰাকী ভাটে কৃষ্ণ-ৰুক্মিণীৰ মাজত মিলনৰ আকাংক্ষা ঘনীভূত কৰিছে।

➤ ভীষ্মকঃ ভীষ্মক কুণ্ডিলৰ ৰজা, ৰুক্মবীৰ আৰু ৰুক্মিণীৰ পিতৃ। নাটকখনত ভীষ্মকৰ চৰিত্ৰৰ বহল বৰ্ণনা নাই। নাটখনত চৰিত্ৰটিৰ ৰাজোচিত ব্যক্তিত্বৰ ছবি অংকিত হোৱা নাই, সাংসাৰিক জীৱনৰ কৰ্তব্যৰ প্ৰতি থকা দায়িত্বশীল পিতৃ হিচাপেহে অংকিত হৈছে। কৃষ্ণক জোৱাই হিচাপে পাবলৈ তেওঁ পাৰিষদ, জ্ঞাতি বৰ্গৰ লগত আলোচনা কৰিছে। কিন্তু ডাঙৰ পুত্ৰ ৰুক্মবীৰে ৰুক্মিণীক শিশুপাললৈ বিবাহ দিবলৈ অংগীকাৰ কৰাত তেওঁ সেই কথা মানি ল'বলৈ বাধ্য হৈছে। বৃদ্ধ ৰজাই অনিচ্ছা সত্ত্বেও তেওঁৰ মতামত পুত্ৰৰ আগত ক'বলৈ সাহস কৰা নাই। সেয়ে ডাঙৰ পুত্ৰৰ মততে তেওঁ মত দিব লগা হৈছে— "অয়ে পুতা ! বিবাহ নিমিত্তে শিশুপালক সত্বৰে আনহ।" কিন্তু কৃষ্ণই যেতিয়া ৰুক্মিণীক হৰণ কৰি দ্বাৰকালৈ লৈ গৈ বিবাহ কাৰ্য সম্পন্ন কৰিছে, তেতিয়া ভীষ্মকে নিজ হাতে কন্যা সম্প্ৰদান কৰি পিতৃৰ কৰ্তব্য পালন কৰিছে।

➤ ৰুক্মবীৰঃ ৰুক্মিণী হৰণ নাটত ৰুক্মবীৰৰ চৰিত্ৰটি এটা জটিল চৰিত্ৰ। ৰুক্ম কুণ্ডিলৰাজ ভীষ্মকৰ ডাঙৰ পুত্ৰ আৰু ৰুক্মিণীৰ ককায়েক। নাটকীয় কাহিনীৰ সংঘাত সৃষ্টিত ৰুক্মবীৰৰ অৱদান স্বীকাৰ কৰিব লাগিব। নাটত চৰিত্ৰটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ৰুক্মবীৰৰ চৰিত্ৰটি অহংকাৰী, তেজী, জেদী আৰু গুৰু-গোঁসাই নমনা ডেকা ৰূপে নাটখনত অংকন কৰা হৈছে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত তেওঁ অসমীয়া সমাজৰ 'বৰবোপা' ৰূপে খ্যাত হৈছে। বিবাহযোগ্যা ভনীয়েকক পিতৃ-মাতৃ আৰু জ্ঞাতিসৱে যেতিয়া কৃষ্ণকেই উপযুক্ত বৰ বুলি নিৰ্বাচন কৰি বিবাহ দিবলৈ সাজু হৈছে তেনেস্থলত ৰুক্মবীৰে তাত বিঘিনি পথালি দিলে। একমাত্ৰ ভনীয়েকক বিয়া দিবৰ তেওঁ তেওঁৰ মিত্ৰ দুৰাচাৰী চেদীৰাজ শিশুপালকহে নিৰ্বাচন কৰিলে। পিতৃ-মাতৃৰ বা আন লোকসকলৰ মাজত শ্ৰীকৃষ্ণ পৰম পুৰুষ হ'লেও ৰুক্মবীৰৰ মনত কৃষ্ণ— 'গোবধ', 'মাতুল বধ', 'স্ত্ৰীবধ' আদি নানান দুকাৰ্য কৰা এজন মহাপাপী। পিতৃৰ আগত অহংকাৰ কৰি তেওঁক কৈছে— "সে যাদৱ অনাচাৰ, গোবধ, স্ত্ৰীবধ, মাতুল বধ, কত পাপ কয়া থিক। সে হামাৰ সম্বন্ধক যোগ্য হয় নাহি। অয়ে বৃদ্ধৰাজ তুহু কিছু বুঝয়ে নাহি ! হে মহাৰাজা শিশুপাল ! সে ৰুক্মিণীক যোগ্য বৰ হয়, নিষ্টে তাহেক বিবাহ দেৱব। হামু অংগিকাৰ কয় বোললু।" ভনীয়েকৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁ মিত্ৰ শিশুপালক ৰুক্মিণীক বিবাহৰ বাবে আমন্ত্ৰণ কৰিলে। কিন্তু কৃষ্ণই ৰুক্মিণীক হৰণ কৰি লৈ যোৱাত তেওঁ কৃষ্ণৰ সৈতে যুদ্ধত লিপ্ত হৈছে। কৃষ্ণই তেওঁক বধ কৰিবলৈ উদ্যত হোৱাত ৰুক্মিণীৰ প্ৰাৰ্থনাত তেওঁৰ জীৱন ৰক্ষা পৰিছে। কৃষ্ণই তেওঁক মুণ্ডন কৰি, দাড়ি, গোফ চকুৰ ভ্ৰূ খুৰাই, মুখত চুণ ঘঁহি এৰি দিলে। কৃষ্ণৰ হাতত পৰাজয় বৰণ কৰি অপমানত তেওঁ নিজ ৰাজ্যলৈ উভতি নগ'ল। চৰিত্ৰটিৰ মাজেৰে কৃষ্ণ বিদ্বেষী লোকৰ জীৱনলৈ কেনেদৰে চৰম পৰিণতি নামি

আহে তাকে দেখুওৱা হৈছে। চৰিত্ৰটিৰ শোকাবহ পৰিণতিয়ে পাঠক - দৰ্শকৰ মনত পুতৌৰ ভাৱ জগাই তোলে।

নাটখনৰ অন্যান্য চৰিত্ৰ, যেনে— শিশুপাল, ব্ৰহ্মা, নাৰদ, জৰাসন্ধ আদি চৰিত্ৰসমূহৰ বহল ব্যাখ্যা নাই যদিও নাট্যকাৰৰ নিপুণ কলা-কৌশলী নাট্যগুণত প্ৰতিটো চৰিত্ৰই নিজ নিজ ব্যক্তিত্বৰে জিলিকি উঠিছে। শিশুপাল নাটকখনৰ প্ৰতিনায়ক। নাট্যকাৰে শিশুপাল, ৰুক্মবীৰ, জৰাসন্ধ আদি চৰিত্ৰসমূহক কৃষ্ণ বিদ্বেষী ৰূপে অংকন কৰি নাটকীয় কাহিনীত বিৰোধৰ সৃষ্টি কৰিছে। আকৌ, কৃষ্ণ-ৰুক্মিণীৰ বিবাহত ব্ৰহ্মাই পুৰোহিত হিচাপে হোমাদি কাৰ্য সম্পাদন কৰা দেখুৱাইছে। কিন্তু মুখচন্দ্ৰিকাৰ সময়ত ৰুক্মিণীৰ অতুলনীয় ৰূপ দেখি ব্ৰহ্মা মূৰ্ছিত হোৱাত পুত্ৰ নাৰদে তেওঁৰ তেনে কাৰ্য শোভা নাপায় বুলি তেওঁক সুস্থ কৰি তুলিছে। ব্ৰহ্মাৰ তেনে কাৰ্যত চৰিত্ৰটিক লঘু ৰূপত দেখুৱালেও সৰ্বসাধাৰণক হাস্যৰসত আপ্লুত কৰিবলৈহে নাট্যকাৰে ব্ৰহ্মাৰ তেনে বিসংগতি ৰূপ অংকন কৰিছে।

মুঠতে ৰুক্মিণী হৰণ নাটত মহাপুৰুষ শংকৰদেৱে সৰু-বৰ বিভিন্ন চৰিত্ৰৰ মাজেৰে শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছে। নাটকখনৰ অগ্ৰগতিত সৰু সৰু চৰিত্ৰসমূহে কৃষ্ণৰ পৰম পুৰুষ ৰূপটিক সুন্দৰভাৱে প্ৰতিভাত কৰিছে। জগতৰ ঈশ্বৰ-ঈশ্বৰী কৃষ্ণ আৰু ৰুক্মিণীৰ মিলনৰ মাজেৰে ভক্তৰ মনোবাঞ্চা পূৰ্ণ কৰাত ভগৱান যে সদায় সহায়ক সেই কথা প্ৰতিপন্ন হৈছে। মহাপুৰুষ শংকৰদেৱৰ মূল উদ্দেশ্য ভগৱান কৃষ্ণৰ মহিমা প্ৰচাৰ নাটখনৰ মাজেৰে প্ৰতিফলিত হৈছে।